# ৰূপহীত সাহিত্য একাডেমিৰ আৱৌ খোবাম ৰাজা উত্তম চন্দ্ৰ খেৰকটাৰী বক্তৃতানুষ্ঠান সম্পন্ন

'আমাৰ অসম'ৰ ভৱানীপুৰ আৰু আনন্দ বজাৰৰ প্ৰতিবেদক, ২৩ আগষ্ট ঃ বড়ো আৰু অসমীয়া ভাষাৰ সেৱক আৰু সাধক উত্তম চন্দ্ৰ খেৰকটাৰীয়ে দুয়োটা ভাষাতে সাহিত্যৰ সৃষ্টি কৰি বড়ো আৰু অসমীয়া ভাষা, সাহিত্যৰ উত্তৰণৰ বাবে বহু ত্যাগ আৰু অৱদান আগবঢ়াই থৈ গৈছে। ধৰ্ম, সাহিত্য, সংস্কৃতি আছিল তেওঁৰ মূলতঃ বন্ধু। এখন আধ্যাত্মিক, সংস্কৃতিৰ সুন্দৰ সমাজ প্ৰতিষ্ঠাৰ বাবে তেওঁ আজীৱন ধৰ্ম, সংস্কৃতিৰ বহু শ্ৰম আৰু ত্যাগেৰে সাধনা কৰিছিল। বড়ো আৰু অসমীয়া দুয়োটা ভাষাতে সাহিত্য ৰচনা কৰি তেওঁৰ ৰচনাৱলীৰ জৰিয়তে প্ৰকাশ পাইছিল সামাজিক শান্তি আধ্যাত্মিকতা, সমন্বয় প্ৰতিষ্ঠাৰ মুকলি আহ্বান। বড়ো আৰু অসমীয়া জাতিৰ বাবে বহু কামেই কৰি থৈ গৈছে তেওঁ। উত্তম চন্দ্ৰ খেৰকটাৰীয়ে বড়ো আৰু অসমীয়া ভাষা-সাহিত্যৰ সমন্বয়ৰ সেতু গঢ়াৰ বাবে সাধনা কৰিছিল। তেওঁৰ উন্নত সৃষ্টিৰাজিৰ বিষয়ে সঠিক সমালোচনা অলপ পলমকৈ হ'বলৈ ধৰিছে। ভাল বিষয় যে সাহিত্য একাডেমিয়ে উত্তম চন্দ্ৰ খেৰকটাৰীৰ সৃষ্টিৰাজিলৈ দৃষ্টি নিক্ষেপ কৰিছে। উত্তম চন্দ্ৰ খেৰকটাৰীৰ সৃষ্টিৰাজিক নতুন প্ৰজন্মই হৃদয়ংগম কৰিব পৰাকৈ আঁচনি ল'ব লাগিব। এইদৰে কয় বড়ো সাহিত্য সভাৰ উপ-সভাপতি তথা শিশু সাহিত্য একাডেমি বটা বিজয়ী সাহিত্যিক সীতাৰাম বসুমতাৰীয়ে আজি শালবাৰীৰ নিকটৱৰ্তী ৰূপহীত অনুষ্ঠিত আৱৌ খোবাম ৰাজা উত্তম চন্দ্ৰ খেৰকটাৰী জীৱন আৰু কৰ্মৰাজি শীৰ্ষক বক্তৃতানুষ্ঠানৰ উদ্বোধন কৰি দিয়া ভাষণত এইদৰেই কয়। শালবাৰী জিলা বড়ো সাহিত্য সভাৰ সভাপতি উদ্ধৱ বসুমতাৰীৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ উদ্বোধনী সভাত কলকাতাৰ সাহিত্য একাডেমিৰ ভাৰপ্ৰাপ্ত বিষয়া ক্ষেত্ৰবাসী নাইকে দিয়া আদৰণি ভাষণত উত্তম চন্দ্ৰ খেৰকটাৰীক এক মানৱতাবাদী ব্যক্তি বুলি কৈ



খেৰকটাৰীয়ে সৃষ্টি কৰা বড়ো আৰু অসমীয়া ভাষাৰ সাহিত্যৰাজিক ৰাষ্ট্ৰীয় পৰ্যায়লৈ নিয়াৰ বাবে ইংৰাজী আৰু হিন্দী ভাষালৈ ৰূপান্তৰৰ প্ৰয়োজন বুলিও কয়। সাহিত্য একাডেমিৰ বড়ো উপদেষ্টা পৰিষদৰ সদস্য জয়শ্ৰী বড়োৱে উদ্দেশ্য ব্যাখ্যা তথা বিষয়বস্তু উপস্থাপন কৰা বক্তৃতানুষ্ঠানৰ উদ্বোধনী সভাত শলাগসূচক বক্তৃতা প্ৰদান কৰে আহবায়ক দৈমালু খেৰকটাৰীয়ে। উদ্বোধনী অনুষ্ঠানৰ প্ৰাকমুহূৰ্তত প্ৰয়াত সাহিত্যিক উত্তম চন্দ্ৰ খেৰকটাৰীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি নিবেদন কাৰ্যসূচী মুকলি কৰে বিটিআৰৰ শালবাৰী সমষ্টিৰ এমচিএলএ জয় মুছাহাৰীয়ে। উল্লেখ্য যে বক্তৃতানুষ্ঠানত ৰূপহী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ যতীন্দ্ৰ গয়াৰীৰ সঞ্চালনাত অনুষ্ঠিত প্ৰথম বৈঠকত নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰে ক্ৰমে বি এইচ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° অৰুণ বড়ো, বৰমা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰেইকৰ ব্ৰহ্ম, আৰু কবি-সাহিত্যিক ছবিৰাম বড়োৱে। আনহাতে বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ৰাজেন্দ্ৰ বসুমতাৰীৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ দ্বিতীয় বৈঠকত বেংতল মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মল্লিকা বসুমতাৰী, শালবাৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰঞ্জেন মছাহাৰী আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ গৱেষক উদাংশ্ৰী নাৰ্জাৰীয়ে নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰে। বক্তৃতানুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট কবিয়ে বড়ো আৰু অসমীয়া ভাষাৰ কবিতা পাঠ কৰে।